**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে ৰাজাৰাজা চ'ল আৰু ৰাজেন্দ্ৰ চ'লৰ ধাৰাবাহিকতাৰ সৈতে ভাৰতৰ পৰিচয় আৰু গৌৰৱৰ সামঞ্জস্য আছে।

২। একবিংশ শতিকাৰ ভাৰতত শক্তি নৱীকৰণৰ সৈতে বিজ্ঞান অগ্ৰগতিৰ দিশে ধাৱিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। লোকসভাত কাইলৈ অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই দেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ আধুনিকীকৰণৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছে।

*আৰু*

৫। অ'ল্ড ট্ৰেফ'ৰ্ড টেষ্টৰ অন্তিম দিনা কে এল ৰাহুল আৰু শুভমন গিলৰ দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখনত পৰাজয়ৰ হাত সাৰিবলৈ ভাৰতৰ প্ৰয়াস অব্যাহত।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে ৰাজাৰাজা চ'ল আৰু ৰাজেন্দ্ৰ চ'লৰ ধাৰাবাহিকতাৰ সৈতে ভাৰতৰ পৰিচয় আৰু গৌৰৱৰ সামঞ্জস্য আছে। তামিলনাডুৰ গংগাইকোণ্ডা চ'লাপুৰমত সাংস্কৃতিক মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত আদি তিৰুভাথিৰায় মহোৎসৱৰ সামৰণি অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে আজি এই কথা প্ৰকাশ কৰে। মহান ৰজা ৰাজেন্দ্ৰ চ'লই গংগাইকোণ্ডা চ'লাপুৰম মন্দিৰ স্থাপন কৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে আজিও এই মন্দিৰে বিশ্বজুৰি অন্যতম স্থাপত্যৰ আশ্চৰ্য্য হিচাপে স্বীকৃতি লাভ কৰিছে। তেওঁ কয়, যে কাবেৰী আইৰ ভূমিত গংগাৰ উদযাপনে চ'লা সাম্ৰাজ্যৰ ধাৰাবাহিকতাকে প্ৰতিফলিত কৰিছে। বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত মূলতঃ জল ব্যৱস্থাপনা আৰু পৰিৱেশ সংৰক্ষণ বিষয়তেই বক্তৃতা আদি অনুষ্ঠিত হৈ আহিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে আমাৰ পূৰ্বপুৰুষসকলে বহু বছৰ পূৰ্বেই এই বিষয়সমূহৰ প্ৰয়োজনীয়তা অনুধাৱন কৰিছিল। তেওঁ লগতে কয়, যে যি সময়ত বহুতো ৰজা-মহাৰজা সোণ, ৰূপ আদি সম্পত্তিৰ বাবে জনাজাত আছিল, তেনে সময়ত ৰাজেন্দ্ৰ চ'লাই পবিত্ৰ গংগাৰ পানী বোৱাই অনাৰ স্বীকৃতি লাভ কৰিছিল। তেওঁ কয়, যে ৰাজেন্দ্ৰ চ'লাই দক্ষিণ ভাৰতৰ পৰা গংগাৰ পানী উত্তৰলৈ বোৱাই আনিছে। অনাগত সময়ত তামিলনাডুত ৰাজাৰাজা চ'ল আৰু তেওঁৰ পুত্ৰ ৰাজেন্দ্ৰ চ'ল প্ৰথমৰ বিশাল প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব বুলিও শ্ৰীমোদীয়ে ঘোষণা কৰে।

একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে দেশৰ অন্যতম মহান সম্ৰাটগৰাকীৰ সন্মানাৰ্থে এটা স্মাৰক মুদ্ৰাও মুকলি কৰে। এই কাৰ্য্যসূচীত তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবি, কেন্দ্ৰীয় মন্ত্ৰী ড০ এল মুৰুগান আৰু অন্যান্য প্ৰতিনিধিসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে এটা বিশাল ৰ'ড শ্বোতো অংশগ্ৰহণ কৰে। এই ৰ'ড শ্বোৰ সময়ত পথৰ দুয়োকাষে অগণন লোকে পতাকা জোকাৰি আৰু শ্লোগান আদি গাই শ্ৰীমোদীক

আদৰণি জনায়। উল্লেখযোগ্য যে, দুদিনীয়া কাৰ্য্যসূচীৰে শ্ৰীমোদী তামিলনাডুলৈ গৈছে। এই ভ্ৰমণৰ সময়ত তেওঁ প্ৰায় ৪৫০ কোটি ব্যয়েৰে থুথুকুড়ি বিমান বন্দৰত নিৰ্মাণ কৰা নতুন টাৰ্মিনেল ভৱনটো জনসাধাৰণৰ নামত উৎসৰ্গা কৰে। ইয়াৰ লগতে শ্ৰীমোদীয়ে ৪ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰে।

০০০০০

একবিংশ শতিকাৰ ভাৰতত শক্তি নৱীকৰণৰ সৈতে বিজ্ঞান অগ্ৰগতিৰ দিশে ধাবিত হৈছে। ২০২৩ চনৰ আগষ্টত চন্দ্ৰযান-৩ৰ সফল অৱতৰণে দেশত বিজ্ঞানৰ এটা নতুন পৰিবেশ সৃষ্টি কৰিছে। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত নিজৰ মনৰ ভাব ব্যক্ত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এইকথা প্ৰকাশ কৰে। বায়ু সেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাত সমগ্ৰ দেশ গৌৰৱান্বিত হোৱা বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে শিশুসকলৰ মাজত উদ্ভাৱনী প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে হাতত লোৱা **ইন্সপায়াৰ মানক** শীৰ্ষক অভিযানৰ বিষয়েও উল্লেখ কৰে। এই পদক্ষেপৰ অধীনত প্ৰত্যেকখন বিদ্যালয়ৰ পৰা পাঁচোটিকৈ শিশুক বাচনি কৰা হয়। এতিয়ালৈ কেইবালাখ শিশুৰে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে। দেশত মহাকাশ ষ্টাৰ্টআপ খণ্ডৰ প্ৰগতিৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে ৫ বছৰ পূৰ্বে মহাকাশ খণ্ডত ৫০ টাতকৈও কম ষ্টাৰ্টআপ থকাৰ বিপৰীতে সম্প্ৰতি এই সংখ্যাই ২০০ অতিক্ৰম কৰিছে।

আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে চলিত মাহত ডুবাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ৰসায়ণ অলিম্পিয়াদত পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকলক প্ৰশংসা কৰে। অষ্ট্ৰেলিয়াত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় গণিত অলিম্পিয়াদতো ভাৰতীয় শিক্ষাৰ্থীসকলে ৩ টা সোণ, ২ টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে গণিত  বিশ্বত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। অহা মাহত মুম্বাইত আয়োজিত জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতিপদাৰ্থ বিজ্ঞান অলিম্পিয়াড এতিয়ালৈ অনুষ্ঠিত অলিম্পিয়াডসমূহৰ ভিতৰত সৰ্ববৃহৎ অলিম্পিয়াড হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে।

মুম্বাইত ১১ টা আৰু তামিলনাডুত এটা মুঠ ১২ টাকৈ মাৰাথা দূৰ্গ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ইউনেস্কোই স্বীকৃতি দিয়া সন্দৰ্ভত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে স্বাধীনতা সংগ্ৰামীসকলৰ অতুলনীয় ত্যাগৰ জৰিয়তে দেশ স্বাধীন হোৱাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে পহিলা আগষ্টত লোকমান্য বাল গংগাধৰ তিলকৰ মৃত্যু বাৰ্ষিকী তথা ৮ আগষ্টত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱাৰ বিষয়েও সোঁৰৰে।

০০০০০

লোকসভাত কাইলৈ অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। সংসদৰ চলিত বৰ্ষাকালীন অধিৱেশনত পেহেলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতৰ প্ৰতিক্ৰিয়া সন্দৰ্ভত বিশেষ আলোচনা হ'ব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰে পূৰ্বে প্ৰকাশ কৰিছিল। শ্ৰীৰিজিজুৰে কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত অনুষ্ঠিত ব্যৱসায়িক পৰামৰ্শদাতা কমিটিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তেওঁ কয়, যে লোকসভাত এই বিষয়ক বিতৰ্কৰ বাবে ১৬ ঘণ্টা সময়ৰ অনুমোদন দিয়া হৈছে আৰু ৰাজ্যসভাতো পৰহিলৈ ১৬ ঘণ্টাৰ বাবে বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব। অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিৰোধী দলসমূহে দাবী জনোৱাৰ কথা উল্লেখ কৰি

শ্ৰীৰিজিজুৱে লগতে কয়, যে চৰকাৰে অধিৱেশনৰ প্ৰথম দিনৰ পৰাই এই দাবীৰ প্ৰতি সন্মতি প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই দেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ আধুনিকীকৰণৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছে। আহমেদাবাদৰ গুজৰাট বিদ্যাপীঠত আজি আয়োজিত গুজৰাট নয়ী টালিম সংঘৰ সাধাৰণ বৈঠক, ছমহীয়া সন্মিলন তথা ৰাজ্যিক পৰ্য্যায়ৰ সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ বুনিয়াদী শিক্ষাৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে আসক্তি এটা জটিল সমস্যা আৰু ইয়াৰ বিৰুদ্ধে সকলোৱে একগোট হৈ থিয় দিয়া উচিত। ইয়াৰ পূৰ্বে শ্ৰীমন্দাভিয়াই ছানডে অন চাইকেল শীৰ্ষক এটি বিশেষ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি সাৱৰমতী আশ্ৰমৰ পৰা গুজৰাট বিদ্যাপীঠলৈ চাইকেলেৰে যাত্ৰা কৰে।

০০০০০

কেৰালাৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণ অব্যাহত আছে। ধাৰাষাৰ বৰষুণৰ ফলত উত্তৰ কেৰালাৰ চাৰিখন জিলাত আজি হালধীয়া সতৰ্কতা জাৰি কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি, বৰষুণৰ ফলত পাঠানমথিট্টা জিলাত ১০৫ টাতকৈও অধিক বাসগৃহ ধ্বংসপ্ৰাপ্ত হৈছে। নদীৰ পাৰত বসবাস কৰা লোকসকলক সতৰ্কতা অৱলম্বনৰ বাবে কেৰালা চৰকাৰ তথা প্ৰশাসনে আহ্বান জনাইছে।

০০০০০

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি অন্তিম দিনা ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈ ৪ টা উইকেটৰ বিনিময়ত ২৭৫ ৰান সংগ্ৰহ কৰিছে। ভাৰত ইংলেণ্ডতকৈ সামগ্ৰিকভাৱে এতিয়াও ৩৬ ৰানত পিছপৰি আছে। ৱাশ্বিংটন সুন্দৰে ৩৯ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ২৯ ৰান কৰি খেলি আছে।

ভাৰতে যোৱা নিশা ২টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৭৪ ৰানৰ পৰা আজি অন্তিম দিনাৰ খেল আৰম্ভ কৰে। কালি ৮৭ ৰান কৰি অপৰাজিত হৈ থকা কে এল ৰাহুলে আজি ৩ ৰান কৰিয়ে আউট হয়। ইয়াৰ পাছত অধিনায়ক শুভমন গিল ১০৩ ৰান কৰি আউট হয়।

সম্প্ৰতি এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত